# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 06-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***

----------------------------

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো দুদিন থকা অৱস্থাত ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। অৱশ্যে বিগত ২-৩ দিন ধৰি হৈ থকা বৰষুণৰ ফলত পূজাৰ মণ্ডপসমূহৰ প্ৰস্তুতিত কিছু সমস্যাই দেখা দিছে। প্ৰতিকুল বতৰকো নেওচি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণে পূজাৰ বাবে বজাৰ সমাৰকে ধৰি অন্যান্য প্ৰস্তুতি চলাই আছে। ইপিনে, শাৰদীয় নৱৰাত্ৰিৰ কালি তৃতীয় দিনা দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা অৰ্চনা কৰা হয়। অহা বুধবাৰে ষষ্ঠীৰ বেদীত দেৱী প্ৰতিষ্ঠা কৰা হব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা সম্পন্ন হয়। যোৱা ২৬ চেপ্তেম্বৰত কামাখ্যা ধামত পূজা আৰম্ভ হৈছে। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পুজা কৰা হয়। এই উপলক্ষে মন্দিৰ প্ৰাঙ্গন পোহৰ আৰু ফুলেৰে সজাই পৰাই তোলাৰ লগতে এই সময়ছোৱাত অগণন ভক্তৰ সমাগম হৈছে। ০০০০

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি উত্তৰ-পূব আৰু দক্ষিণ ভাৰতত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ পূৰ্বাভাস প্ৰকাশ কৰিছে। বিভাগটোৱে কৈছে যে, অনাগত দিনসমূহত উত্তৰ-পশ্চিম, পশ্চিম আৰু মধ্য ভাৰতত বৰষুণৰ কোনো বিশেষ সম্ভাৱনা নাই। অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, আৰু তামিলনাডুত অহা ২-৩ দিনত প্ৰচুৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতিৰ অংশস্বৰূপে কাইলৈ পুনৰ নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহ, ভাঙাগড়ত শিক্ষা বিভাগৰ ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ১০১ গৰাকী প্ৰাৰ্থীক কাইলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰেৰণ কৰা হৈছিল।

০০০০০০০

ৰাজ্য চৰকাৰে বিভিন্ন ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে আগবঢ়োৱা সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা ২০২৪ৰ বাবে মনোনয়ন আহ্বান কৰিছে। এই বঁটাৰ বাবে কোনো ব্যক্তিয়ে নিজৰ নাম অথবা সমাজলৈ পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত অনবদ্য অৰিহনা আগবঢ়োৱা আন বিশিষ্ট ব্যক্তিৰ নাম জিলা আয়ুক্ত নাইবা

assamcivilianawards.assam.gov.in-ত মনোনয়ন কৰিব পাৰে। মনোনয়ন দাখিলৰ অন্তিম তাৰিখ অহা ৩১ অক্টোবৰ। অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা লাভ কৰা ব্যক্তিসকলে বিভিন্ন চৰকাৰী সা-সুবিধা লাভ কৰিব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসমূহৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০০

ডুবাইত চলি থকা আই চি চি মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল আজি ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে ৩ বজাত খেলখন আৰম্ভ হ'ব। খেলখনত জয়লাভ কৰিব পাৰিলে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে প্ৰতিযোগিতাৰ প্ৰথমটো পইণ্ট লাভ কৰিব। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ভাৰতীয় দলটোৱে নিউজিলেণ্ডৰ হাতত পৰাস্ত হৈছিল। খেলৰ পূৰ্বে হোৱা সংবাদমেলত ভাৰতীয় দলটোৰ সহকাৰী প্ৰশিক্ষক অভিষাৰ ছালভিয়ে কয় যে, ভাৰতে কেনেদৰে পৰাজয়ৰ পৰা বিজয়ৰ দিশত আগবাঢ়িব লাগে সেয়া ভালদৰে জানে। ইপিনে পাকিস্তানে নিজৰ প্ৰথমখন খেলত শ্ৰীলংকাক পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত